**০৩. শংকৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য ঃ** শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল শ্ৰীক্ষেত্ৰলৈ আৰু তাতেই নৱ-বৈষ্ণৱ অৰ্থাৎ ভক্তি আন্দোলনৰ সম্যক আভাস পাইছিল আৰু তীৰ্থৰপৰা ঘূৰি আহি নামঘৰ, দেৱগৃহ, সত্ৰ আদি স্থাপন কৰি নিৰহংনিপানীকৈ তেওঁ ভক্তিধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। অৱশ্যে গুৰুচৰিতবোৰৰ মতে শংকৰে তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱাৰ পূৰ্বেই ভক্তিতত্ত্বৰ বীজ সিঁচিছিল।

শংকৰদেৱক কেন্দ্ৰ কৰি অসম-কামৰূপ আৰু কমতাত নৱ-বৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয়। ভাৰতবৰ্ষৰ আন এখন অঞ্চলৰ দৰে অসমতো ভক্তিয়ে নৱ-বৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত প্ৰধান চালিকাশক্তি স্বৰূপে সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্লাৱিত নৱ-বৈষ্ণৱ জাগৰণৰ প্ৰবাহ-প্ৰক্ৰিয়াৰ পৰা অসমৰ নৱ-বৈষ্ণৱ জাগৰণক পৃথক কৰিব নোৱাৰি।

শংকৰদেৱে বিশ্বাস আৰু ভক্তিৰ ওপৰত অত্যধিক গুৰুত্ব দিছিল। সমাজৰ দুৰ্বল আৰু অনগ্ৰসৰ লোকৰ সামাজিক আৰু আধ্যাত্মিক উন্নতিয়েই আছিল শংকৰদেৱৰ মূল লক্ষ্য। স্বৰূপাৰ্থত তেওঁৰদ্বাৰা প্ৰচাৰিত ভক্তিধৰ্মই জনসাধাৰণক এফালে দিছিল লোকশিক্ষা আৰু আনফালে দিছিল আধ্যাত্মিক চেতনা। ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ তেওঁ কেৱল উপদেশ প্ৰদানতে সন্তুষ্ট নাথাকি গীত-পদ, কাব্য-নাট আদি প্ৰণয়ন কৰিছিল। নৃত্য-নাট আৰু ভাওনাৰ সহায়ত তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ দৈৱিক লীলা-মালা কীৰ্তন আৰু পৰিৱেশ্য কলাৰ মাধ্যমেৰে প্ৰদৰ্শন কৰি জনসাধাৰণক ভক্তিৰসত অৱগাহন কৰাইছিল। কোনো নতুন আদৰ্শ বা মত কলা-সাহিত্যৰ সহায়ত প্ৰচাৰ কৰিব নোৱাৰিলে সেই আদৰ্শ বা মত চিৰস্থায়ী হ'ব নোৱাৰে। সেই কাৰণেই শংকৰদেৱে পুথি-পাঁজি, চিত্ৰবিদ্যা, নাট-অভিনয়ৰ সহায় লৈছিল আৰু এইদৰে ভক্তিধৰ্মই স্থায়ীৰূপ পৰিগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। এই প্ৰসংগত ড° বাণীকান্ত কাকতিদেৱে এটি সমীচীন মন্তব্য দাঙি ধৰিছে। মন্তব্যটো তলত দিয়া হ'ল। যেনে ঃ

> *বুৰঞ্জীৰ এইটো নিৰ্ধাৰিত সত্য যে, যেতিয়া কোনো ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মহাজাতীয় উদ্বোধনৰ কেন্দ্ৰস্থ শক্তি-ৰূপে পৰিগৃহীত হয়, তেতিয়া গীত, কাব্য, ভাওনা, চিত্ৰ-বিদ্যা, ভাস্কৰ্য্য, সুকুমাৰ শিল্পৰ সকলোবোৰ অঙ্গই সেই ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ-মাহাত্ম্য প্ৰকাশত নিয়োজিত হয়।... এই কৃষ্ণ চৰিত্ৰকে অৱলম্বন কৰি ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত যিমান ডাঙৰ সাহিত্য আছে, বোধহয় পৃথিৱীৰ কোনো মহাপুৰুষৰ বিষয়েই তেনে সাহিত্য এটি গঠিত হোৱা নাই। এই বিশাল বৈষ্ণৱ সাহিত্যৰ এক উদ্দেশ্য কৃষ্ণ-চৰিত্ৰ জনসমাজৰ আগত সমুজ্জ্বল কৰি ধৰা। কিয়নো, ভাৰতীয় মহাজাতীয় বৈষ্ণৱ আন্দোলনত কৃষ্ণৰ শিকনিতকৈ তেওঁৰ চৰিত্ৰ বেছি ডাঙৰ উদ্বোধন-শক্তি আছিল।"[৩১]*

শংকৰদেৱেও তেওঁৰ ৰচনাৰাজিত শ্ৰীকৃষ্ণৰ শিকনিতকৈও তেওঁৰ চৰিত্ৰৰ বিভিন্ন দিশ বিশেষকৈ আধ্যাত্মিক দিশত অধিক গুৰুত্ব দিছিল। দ্বিতীয়তে, অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম বা ভক্তিতত্ত্ব বিষয়ক গ্ৰন্থ ৰচনাৰ প্ৰসংগত অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি আৰু কালিকা ৰক্ষা কৰাত গুৰুত্ব দিয়া হৈছিল। আমাৰ এই প্ৰমেয়ৰ সপক্ষে ড° বাণীকান্ত কাকতিৰ এটি যুক্তি উপস্থাপন কৰিব পাৰি ঃ

> *বৈষ্ণৱ কবিসকলে অসমীয়া ভাষাক আশ্ৰয় কৰি সাৰ্বজনীন শিক্ষা দিয়াৰ ব্যৱস্থা কৰাত অসমীয়া ভাষা জাতীয় ভাষা ৰূপে পৰিগণিত হ'ল আৰু পৰৱৰ্তীয়া ভাষাৰ শব্দ সোমাবলৈ ইয়াত সোমালেও কোনো আদিম ভাষাই ইয়াৰ মৌলিক ৰূপৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।"[৩২]*

গতিকে শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্ম এক কলাত্মক অভিজ্ঞাপন, ধৰ্ম-সাধনা আৰু কলা-সাধনা উভয়ে আছিল শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্মৰ চালিকা শক্তি।

শংকৰদেৱৰ পূৰ্বে যে, পুৰণি অসমত বৈষ্ণৱ ধৰ্ম প্ৰবৰ্তিত হৈ আছিল তাত সন্দেহ নাই, কিন্তু সেই বৈষ্ণৱ ধৰ্মই জন-গণক স্পৰ্শ কৰিব পৰা নাছিল ; কিন্তু শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মই ভক্তিৰ সহায়ত সৰ্বজনৰ মন-প্ৰাণ-হৃদয় স্পৰ্শ কৰিব পাৰিছিল। শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত নৱ-বৈষ্ণৱ ভক্তিমাৰ্গৰ প্ৰধান বিশেষত্ববোৰ তলত দিয়া হ'ল। যেনে ঃ

০৩.০১. শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত ভক্তিধৰ্ম আছিল কৃষ্ণ চৰিত্ৰ প্ৰধান। শংকৰদেৱে হিন্দু ধৰ্মত স্থান লাভ কৰা আন আন দেৱ-দেৱীক অস্বীকাৰ কৰা নাই ; কিন্তু বিষ্ণুৰ পূৰ্ণ অৱতাৰ কৃষ্ণইহে পৰমপুৰুষ পৰমেশ্বৰ স্বৰূপে স্বীকৃতি লাভ কৰিছে। বিষ্ণুৰ দশ অৱতাৰৰ ভিতৰত শ্ৰীৰামে বিশেষ গুৰুত্ব লাভ কৰিছে। অসমৰ বৈষ্ণৱ-সন্তসকলৰ দৃষ্টিত শ্ৰীকৃষ্ণ আৰু শ্ৰীৰামৰ মাজত কোনো পাৰ্থক্য নাই।

০২ শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত নৱ-বৈষ্ণৱ ভক্তিমাৰ্গত ভক্তিক সৰ্বাধিক মঙ্গলকৰ (Summumbonum) স্বৰূপে গ্ৰহণ কৰা হৈছে। নৱবিধা ভক্তিৰ ভিতৰত শংকৰদেৱে শ্ৰৱণ-কীৰ্তনত অত্যাধিক গুৰুত্ব দিছে। শংকৰদেৱৰ দৃষ্টিত মুক্তিতকৈ ভক্তি শ্ৰেষ্ঠতৰ। বিশ্বাস আকৌ ভক্তিৰ পৃষ্ঠভূমি।

০৩ শংকৰদেৱে নিত্য-নৈমিত্তিক কৰ্ম আৰু তীৰ্থ ভ্ৰমণ আদিত গুৰুত্ব দিয়া নাই।

০৪ শংকৰদেৱৰ ভক্তিধৰ্মত মাধুৰ্য্য ভক্তি বা মধুৰভাৱৰ স্থান মুঠেই নাই। গৌড়ীয় বৈষ্ণৱ ধৰ্ম মতে ৰাধা অবিহনে কৃষ্ণ সম্পূৰ্ণ নহয়; কাৰণ ৰাধা, কৃষ্ণৰ আহ্লাদিনী শক্তি। ৰাধা আৰু কৃষ্ণৰ মাজত সপ্ৰেমা ভক্তিৰ সম্বন্ধ দেখুৱাৰ বাবেহে চৈতন্যদেৱে মধুৰভাৱৰ সহায় ল'লে। অন্যহাতে মধুৰভাৱৰ আধিক্যই ধৰ্মৰ ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি কৰিব পাৰে বুলি ভাবি শংকৰদেৱে তেওঁৰ ধৰ্মমাৰ্গৰপৰা এইভাৱ সম্পূৰ্ণভাৱে পৰিহাৰ কৰি বিপদ-শূন্য আৰু সহজসাধ্য বাৎসল্য আৰু দাস্যভাৱৰ ওপৰত সৰ্বাধিক গুৰুত্ব কৰিছে।

০৫ শংকৰদেৱৰদ্বাৰা প্ৰবৰ্তিত নৱ-বৈষ্ণৱমূলক ভক্তিধৰ্মৰ মুল শাস্ত্ৰ হৈছে শ্ৰীমদ্ভগৱদ্ গীতা আৰু শ্ৰীমদ্ভাগৱত-পুৰাণ।

০৬ শংকৰদেৱে তেওঁৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মত যাগ-যজ্ঞ-যোগ, তপ-তপস্যা আৰু কষ্ট তথা ব্যয়সাধ্য ধৰ্মীয় কৃত্যাত মুঠেই গুৰুত্ব দিয়া নাই।

০৭ নাম-দেৱ-গুৰু আৰু ভকত এই চাৰিও বস্তুৰ মাজত শ্ৰদ্ধাভৰা আৰু আন্তৰিকতাভৰা সম্পৰ্ক নহ'লে যে, ভক্তি সিদ্ধ নহয় সেই কথা শংকৰদেৱে উদাহৰণসহ দেখুৱাই দিবলৈ প্ৰয়াস কৰিছে। দ্বিতীয়তে, গুৰুকৃপা আৰু সৎসংগৰ সান্নিধ্যও এই প্ৰসংগত অপৰিহাৰ্য্য বুলি তেওঁ কৈছে।

০৮ শংকৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ মূল লক্ষ্য আছিল পদদলিত আৰু অৱহেলিত জন-গণৰ সামাজিক আৰু আধ্যাত্মিক অৱস্থাৰ উত্তোলন।

০৯ নৱ-বৈষ্ণৱমূলক ভক্তিধৰ্মৰ জৰিয়তে শংকৰদেৱে সমাজত প্ৰেম-প্ৰীতি, দয়া-দাক্ষিণ্য, অহিংসা আদি বিশ্বজনীন ভাবো প্ৰচাৰ কৰিছিল।

১০ ভক্তিৰ ক্ষেত্ৰত সৰ্বমানৱেই সমান — জাতি-ধৰ্ম-বৰ্ণ-ভাষা আদিৰ ক্ষেত্ৰত কোনো বিভিন্নতা নাই।

শংকৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱমূলক ভক্তিধৰ্মৰ বিশেষত্বৰ বিষয়ে ড° বাণীকান্ত কাকতিয়ে তলত দিয়াৰ দৰে উল্লেখ কৰিছে ঃ

*বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্ৰত মহাপুৰুষৰ প্ৰধান দান।*[৮৩]

**১৫.০৪. সত্ৰায়ন বৈষ্ণৱ ধৰ্ম ঃ** ভাৰতৰ ধৰ্মীয় ইতিহাসত বৈষ্ণৱ অনুষ্ঠান বা প্ৰতিষ্ঠানক সূচোৱাৰ ক্ষেত্ৰত সত্ৰ শব্দটোৰ প্ৰয়োগ নতুন যেন লাগে। অসমীয়া ভাষাত 'সত্ৰ' শব্দৰ প্ৰয়োগ থকাৰ উপৰি ইয়াৰ লোকৰূপ 'সত্তৰ' শব্দৰ ব্যৱহাৰ বিশেষকৈ বৰপেটা, বামদিয়া, দৰং আদি অঞ্চলত দেখা যায়।

*শতপথ ব্ৰাহ্মণ, ভাগৱত-পুৰাণ* আদি সংস্কৃত গ্ৰন্থত সত্ৰ শব্দৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। ভাগৱত-পুৰাণত বহুদিন ব্যাপী অনুষ্ঠিত যজ্ঞক বুজাবৰ বাবে 'সত্ৰ' শব্দটো প্ৰয়োগ কৰে দেখা যায়। যেনে ঃ

*নৈমিশেঽনিমিষক্ষেত্ৰে ঋষয়ঃ শৌনকাদয়ঃ।*
*সত্ৰং স্বৰ্গায় লোকায় সহস্ৰসমমাসত।।* (ভাগৱত-পুৰাণ, ১/১/৪)

একেইখন পুৰাণতে 'ব্ৰহ্মসত্ৰ' পদটিৰো উল্লেখ আছে। 'ব্ৰহ্মসত্ৰ'ত অনুষ্ঠিত হয় — ব্ৰহ্মমীমাংসা ঃ

*স্বায়ম্ভুৱ ব্ৰহ্মসত্ৰং জনলোকেঽভৱৎপুৰা।*
*তত্ৰ স্থানাং মানসানাং মুনীনামূৰ্ধ্বৰেতসাম্।।* (ভাগৱত-পুৰাণ, ১০/৮৭/৯)

ভাগৱত-পুৰাণ-ৰ বিশ্ববিশ্ৰুত টীকাকাৰ শ্ৰীধৰস্বামী পাদে তেওঁৰ টীকাত উক্ত শ্লোকটিৰ ব্যাখ্যা এনেদৰে দিছে ঃ

*ব্ৰহ্ম সত্ৰমিতি। যথা যজমানা এৱ সমানা ঋত্বিগাদি ৰূপেণ যত্ৰ কৰ্ম কুৰ্বতি তৎকৰ্ম সত্ৰং প্ৰসিদ্ধম্।*
*তথা যত্ৰ সমানা এৱ বক্তৃশ্ৰোতৃভাৱেন ব্ৰহ্ম মীমাংসন্তে তদ্ব্ৰহ্মসত্ৰম্।* (১০/৮৭/৯)

নৱ-বৈষ্ণৱ কবি ভাগৱৎ-ভট্টাচাৰ্য্য অনন্ত কন্দলীয়ে অষ্টাদশম অনুবাদ কৰাৰ প্ৰসংগত স্বামীপাদৰ ব্যাখ্যা অনুবাদ তলত দিয়াৰ দৰে কৰিছে ঃ

*নিগদতি নাৰায়ণ শুনা ব্ৰহ্মপুত্ৰ।*
*জনলোক পূৰ্বত মিলিল ব্ৰহ্মসত্ৰ।।*
*উৰ্দ্ধৰেতা ঋষিসৱ আছে তথা যত।*
*সনাত কুমাৰ আদি কৃষ্ণত ভকত।।*
*ঋত্বিকাদি ৰূপে যত যজমানচয়।*
*কৰে যজ্ঞ কৰ্ম্ম-সত্ৰ তাহাক্তে বোলয়।।*

*যাতে একে ভাৱে সবে ব্ৰহ্ম বিচাৰয়।*
*তাকে ব্ৰহ্মসত্ৰ বুলি মহন্তে কহয়।।* (শেষ দশম পদ, ১৭০৭৩-৭৪)

সংস্কৃত সাহিত্যত 'অনাথ-আশ্ৰম' আৰু 'বহুদিন ব্যাপী অনুষ্ঠিত যজ্ঞ' — এই অৰ্থ দুটা সূচিত কৰিবৰ বাবে প্ৰধানতঃ 'সত্ৰ' শব্দটো ব্যৱহাৰ কৰা দেখা যায়। অসমৰ বৈষ্ণৱ অনুষ্ঠানৰ নামকৰণত দ্বিতীয় অৰ্থটোৰ লগত সম্পৰ্ক থকা দেখা যায়।

'যজ্ঞ' অৰ্থ সূচিত কৰিবলৈ মহাপুৰুষ শংকৰদেৱেও 'সত্ৰ' শব্দটি প্ৰয়োগ কৰিছে। যেনে : 'সৰ্প-সত্ৰ'।

নৱবৈষ্ণৱ আন্দোলনৰ আৰম্ভণিতে 'সত্ৰ'ৰ অৰ্থ ধৰ্মীয় আলোচনা বা ভাগৱত-চক্ৰহে, সুসংবদ্ধ অনুষ্ঠান নহয়। ভাগৱত-পুৰাণ-ৰ প্ৰথম স্কন্ধৰ অনুবাদৰ প্ৰসংগত ধৰ্মীয় আলোচনা বা ভাগৱত চক্ৰৰ অৰ্থ প্ৰকাশ কৰিবলৈ শংকৰদেৱে 'সত্ৰ' শব্দটো প্ৰয়োগ কৰিছে :

*আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান।*
*বিষ্ণুৰ নৈমিষ ক্ষেত্ৰ মহাপুণ্য স্থান।।*
*মান্য কৰি সুতক পাতিলা সত্ৰ তথা।*
*শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা।।* (অসমীয়া ভাগৱত ১ম সংস্কৰণ পদ ৫)

ভাগৱত-নিষ্ণাত পণ্ডিত আৰু কবি-সাহিত্যিক অনন্ত কন্দলীয়ে মধ্যদশম অনুবাদ কৰাৰ প্ৰসংগত তেওঁৰ পিতৃ ৰত্নপাঠকৰ বিষয়ে ক'বলৈ যোৱাৰ পৰিপ্ৰেক্ষিতত এনেদৰে উল্লেখ কৰিছে :

*ৰত্ন পাঠক নাম      দ্বিজবৰ অনুপাম*
*আছিলন্ত কৃষ্ণত ভকত।।*
*তথা মহা ভাগৱত      শাস্ত্ৰৰো আছিল সত্ৰ*
*সদায়ে শুনিলা সাধুজন।*
*ৰত্ন পাঠক মুখে      শুনি আছে যত নৰ*
*অদ্যাপি প্ৰসংসে যনে ঘন।।* (দশম, পদ ১৬২০৫-০৬)

ভূষণ দ্বিজৰ মতে শংকৰদেৱে তীৰ্থ ভ্ৰমণ কৰি ঘূৰি অহাৰ অব্যৱহিত পিছতেই 'সত্ৰ-গৃহ' নিৰ্মাণ কৰি ভাগৱত ধৰ্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। যেনে :

*শঙ্কৰ বোলন্ত ভাই      শুনিয়োক ৰাম ৰাই*
*দেৱগৃহ সাজিয়ো যতনে।*
*হেন কথা শুনিলন্ত      সত্ৰ-গৃহ সাজাইন্ত*
*ৰামৰাই মহাৰঙ্গ মনে।* (পদ, ১৫৭)

অৱশ্যে ইয়াত 'সত্ৰগৃহ' পদটো 'দেৱগৃহ' পদৰ সমাৰ্থক পদ ৰূপেহে ব্যৱহাৰ কৰা হৈছে; কাৰণ পৰৱৰ্তী পদত 'সত্ৰগৃহ'ৰ সলনি দেৱগৃহ পদ প্ৰয়োগ কৰা দেখা যায়। সত্ৰৰ পদে ধৰ্মকো সূচিত কৰে। নীলকণ্ঠৰ গুৰুচৰিত-ত উল্লেখ আছে :

*শূদ্ৰে ব্ৰাহ্মণক সত্ৰ দিবাক নপায়।*
*এতেকেসে শিক্ষা দিয়াবোহো অন্য ঠাই।।* (পদ, ২৭২)

কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই তেওঁৰ শৰণ-মালিকা গ্ৰন্থত সত্ৰৰ সূত্ৰ এনেদৰে দিছে :

*যত্ৰাচৰন্তি সদ্ধৰ্মান্ কেৱলা ভগৱৎ প্ৰিয়াঃ*
*নৱধা ভগৱদ্ ভক্তিঃ প্ৰত্যহং যত্ৰৱৰ্ততে।*
*তং সত্ৰমুত্তমং ক্ষেত্ৰং বৈষ্ণৱং সুৰ বন্দিতম্*
*তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বে হৰি নাম পৰায়ণাঃ।।*

অৰ্থাৎ, ভগৱৎ প্ৰিয়সকলে য'ত সৎধৰ্ম আচৰণ কৰে, য'ত সততে নৱধা ভগৱৎ-ভক্তিয়ে বিৰাজ কৰে, সেই উত্তম ক্ষেত্ৰত বৈষ্ণৱ আৰু দেৱতা সকল বন্দিত হয় আৰু তাত থকা বৈষ্ণৱসকল সদায় হৰি নাম পৰায়ণ।

এতিয়া দেখা গ'ল যে, নৱবৈষ্ণৱবাদৰ প্ৰাৰম্ভিক অৱস্থাত ভক্তসকলৰদ্বাৰা অনুষ্ঠিত ভাগৱত-চৰ্চাক সত্ৰ বোলা হৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে এই সত্ৰই সুস্পষ্ট সাজন বৈশিষ্ট্য সম্বলিত আৰু গুৰুগৃহ, নামঘৰ, মণিকূট, উদাসীন ভকতৰ হাটী-বাটী, ভাড়াল, অতিথিশালা আদি যাৱতীয় অৱয়বৰ লগতে বিভিন্ন বাৰৰ সৃষ্টি, নামপ্ৰসংগৰ ক্ৰম বিভাগ, গুৰুকৰৰ প্ৰৱৰ্তন আৰু আচাৰ-অনুষ্ঠান সম্বলিত পূৰ্ণ বিকশিত সত্ৰ অনুষ্ঠানৰ উদ্ভৱ হ'ল।"

সত্ৰৰ প্ৰথম খাপ নিশ্চিতভাৱে আৰম্ভ কৰিছিল শঙ্কৰদেৱে ; কিন্তু সত্ৰ-অনুষ্ঠানৰ পূৰ্ণ ৰূপ দিওঁতাৰ সন্মান দামোদৰদেৱেহে প্ৰাপ্য। শঙ্কৰদেৱ পাটবাউসীত থকাৰ সময়ত দামোদৰ দেৱৰ 'প্ৰভাৱ- প্ৰতিপত্তি' আৰু মহিমা ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিছিল। 'বেহাৰলৈ যাত্ৰা কৰাৰ পাছত সেই প্ৰতিপত্তিৰ প্ৰসাৰ বাঢ়িল। চাৰিওদিশৰপৰা পণ্ডিত, সজ্জন, ব্ৰাহ্মণ আৰু দুই-চাৰিজন কায়স্থ জাতিৰ উচ্চস্থ লোকেও দামোদৰৰ ওচৰত আহি শৰণ ললে। প্ৰয়াণৰ পাছত ৰামৰায়ে দামোদৰদেৱেত শৰণ ললে, সত্ৰ পতাৰ অৰ্থে একখণ্ড আহল-বহল ভূমিদান কৰিলে। .... ৰামৰায়ে দান কৰা ভূমি খণ্ডত বিস্তৃতকৈ সত্ৰ পাতিলে। সত্ৰ, মণিকূট, নামঘৰ, ভকতহাটী, ভঁৰাল, গুৰুগৃহ, অতিথিশালা আদি নিৰ্মাণ কৰি পূৰ্বৰ হাজো মন্দিৰৰ অনুকৰণত দ্বাদশ প্ৰসংগৰ ক্ৰম বান্ধি দিলে। প্ৰকৃততে পূৰ্বৰ তিনি বা চাৰি প্ৰসংগৰে ই বিস্তাৰ মাথোঁ। মণিকূট নামটিও হাজোৰ মাধৱে অৱস্থান কৰা মণিকূট পৰ্বতৰ পৰাই লোৱা যেন লাগে। অৰ্থবিস্তাৰৰ ফলত মূল বিগ্ৰহ য'তে থাকে সেয়ে মণিকূট নাম পালে। সত্ৰৰ মণিকূট আৰু নামঘৰৰ আৰ্হি পূৰ্বৰ মন্দিৰবিলাকৰ গৰ্ভগৃহ, জগমোহন নাটমণ্ডপৰ পৰাই লোৱা। .... সকলো ফালপৰা পাছৰ পূৰ্ণ-পৰ্যায়ৰ সত্ৰ এখনৰ পূৰ্ণৰূপ দামোদৰ দেৱৰ প্ৰতিষ্ঠাপিত প্ৰথম সত্ৰ পাটবাউসীতে দেখা যায়। শঙ্কৰদেৱ পাটবাউসীত থাকোঁতেই এই পয়োভৰ পূৰ্ণ সত্ৰখনে গঢ় লৈছিল নে নাই সঠিককৈ কোৱা টান। ৰামৰায়ৰ মতে শঙ্কৰদেৱে সত্ৰৰ সেই ৰূপ দেখিছিল আৰু দেখি হৰষিত হৈছিল ঃ 'দামোদৰে সেহিস্থানে সত্ৰ বান্ধিলন্ত, শঙ্কৰেয়ো দেখি মহা আনন্দ লভিলা (ৰামৰায়, ২১০)।" গুৰুলীলাকাৰৰ কথাতে পতিয়ন যাবলৈ মন যায়।"

দামোদৰদেৱে পাটবাউসীত নিৰ্মাণ কৰা সুসংবদ্ধ আৰু পূৰ্ণ বিকশিত সত্ৰৰ বৈধিক বৰ্ণনা চৰিতকাৰ ৰামৰায়দ্বিজে এনেদৰে দিছে ঃ

*পশ্চিমে গৰঘা নদী অতি অনুপাম।*
*সত্ৰ নিৰ্মিলন্ত তৈতে ভকতা থাপ নাম।।*
*চতুষ্পাশে গড় নিৰ্মিলেক ভাল কৰি।*
*গড়ৰ ভিতৰ হৈলা বৈকুণ্ঠ নগৰি।।*
*পাটদ্বাৰ উপৰে উচ্চত ৰম্য ঘৰ।*
*তাহাৰ ভিতৰে চাৰি হাটী মনোহৰ।।*
*হাটীৰ মধ্যত হৰি মন্দিৰ বান্ধিলা।*
*চটীক লগায়া বেৰে জিঞ্জৰি কাটিলা।।*
*দামোদৰ দেৱক লাগিয়া দিব্যঘৰ।*
*সাজিলেক ৰম্য কৰি অত্যন্ত সুন্দৰ।।*
*সেহি স্থানে পাটকী দিলেক বিতোপন।*
*উপমাৰ ঠাই যেন বৈকুণ্ঠ ভুৱন।।*
*তাত প্ৰবেশিলে তিনি তাপ দূৰ হয়।*
*সংসাৰক হেৰ কৰি বৈকুণ্ঠ চলয়।।*

*গড়ৰ বাহিৰে হাটী আৰু নিৰ্মিলেক।*
*ভাৰ্য্যা-পুত্ৰ থাকা ভকতৈতে বহিলেক।।*
*মাজোবাৰি পদুলি বান্ধিলা স্থানে স্থান।*
*বৈকুণ্ঠ সদৃশ সত্ৰ কৰিলা নিৰ্মাণ।।*

দামোদৰদেৱে যে, সুসংবদ্ধ সত্ৰ নিৰ্মাণত অন্যতম ভূমিকা গ্ৰহণ কৰিছিল তাৰ স্পষ্ট আভাস শঙ্কৰদেৱ আৰু মাধৱদেৱৰ চৰিত ৰচয়িতা ৰামচৰণ, দৈত্যাৰি আদিৰ বৰ্ণনাৰ পৰাও পোৱা যায়। দৈত্যাৰিৰ চৰিতত উল্লেখ আছে ঃ

*মাধৱে বোলন্ত        সত্ৰ কৰি আছা*
*আচাৰ্য্য স্বৰূপ হই।*

ৰামচৰণ, দৈত্যাৰি আৰু কথা-গুৰু চৰিত ৰ লেখকৰ মতে মাধৱদেৱে, দামোদৰদেৱৰ পাটবাউসী সত্ৰৰ আৰ্হিত বৰপেটা সত্ৰ নিৰ্মাণ কৰিবলৈ পৰিকল্পনা কৰিছিল। শঙ্কৰদেৱৰ তিৰোধানৰ পিছত নাৰায়ণ ঠাকুৰে মাধৱদেৱক কৈছিল ঃ 'এতেকে বাজে হাতী-হিঙ্গকৈ ৰৱখৰ গায়ন, বায়ন, নটুৱা, মহোৎসৱ, ভাৱনা — এইভোৰ কৈলেহে তাকে চাই দেখি আহি গৈহে পৰমাৰ্থত লাগে জীৱ। এইৰূপে থাকিলে দামোদৰে দেশ চলাই নি গুৰুধৰ্ম পাছলৈ লোপেই হৈযাব।'

ৰামচৰণৰ শঙ্কৰ-চৰিত ৰ মতে দামোদৰদেৱে সত্ৰ পাতি ব্ৰাহ্মণ সজ্জন আদি লোক যিমান আছে সকলোকে শৰণ লগাই ভক্তি উপদেশ দিবলৈ ধৰিলে, পৰিণতি স্বৰূপে ঃ

*লোকৰ আন্দোলে সত্ৰ দলদোপ কৰে।*
*হেনমতে ভাগিলন্ত লোক নিৰন্তৰে।।*

হেন দেখি নাৰায়ণ ঠাকুৰে এদিন মাধৱদেৱক কলে ঃ

*শুনিয়োক বাপ তুমি আমাৰ বচন।*
*জানিলো গুৰুৰ ধৰ্ম কৰিলা উচ্চন।।*
*বসি আছা কিবা হেতু মনে জানি তুমি।*
*আগ পাছ কথা সব কহো শুনা আমি।।*
*দেখিয়ো ব্ৰাহ্মণে কেন কৰে অযুগুত।*
*আমাৰ গুৰুৰ ধৰ্ম কৰিলে লুপুত।।*
*যেন মতে মহাধৰ্ম ৰাখিবাক পাৰা।*
*ঝাণ্ট কৰি বাপ তুমি হেন কাম কৰা।*
*তল কৰি আনিলে চাহিও মন কৰি।*
*মনে মনে আছা কেনে ব্ৰহ্মচৰ্য্য ধৰি।।*

বেজবৰুৱাই শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ গ্ৰন্থত কথাখিনি আৰু স্পষ্ট কৰি লিখিছে ঃ

> *সখি, দামোদৰদেৱে কেনেকৈ সকলোৰে দৰ্শনীয় কৰি ডাঙৰকৈ নামঘৰ-মণিকূট আদি সজাই ধৰ্মৰ দোকান চলাই চাৰিওফালৰ পৰা সকলোকে আকৰ্ষণ কৰি আনিছে ; আৰু আপোনাৰ থান-থিতি একো নাই। আপুনি হাটী-বাটী, নামঘৰ, মণিকূট সজাই লৈ ভালকৈ বহক, এনে কৰিলে দেখিব দশোদিশৰপৰা লোকসকল আপোনাৰ ওচৰলৈ ধৰ্মক ধৰিবলৈ আহিব। মই চাৰিও ফালৰপৰা লোকসকলক গোটাই আনি আপোনাৰ ওচৰ পোৱাই দিম, আপুনি বহি ধৰ্ম দি ধৰ্ম প্ৰচাৰ কৰিব।*

নাৰায়ণ ঠাকুৰৰ কথা শুনি মাধৱ মৰলক মাতি আনি দামোদৰদেৱৰ পাটবাউসী সত্ৰৰ আদৰ্শত নামঘৰ, মণিকূট, হাটী-বাটী আদি কৰালে।[১১]

ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, পৰৱৰ্তী কালৰ পূৰ্ণ পৰ্যায়ৰ সত্ৰই আদৰ্শনীয় ৰূপ দামোদৰ দেৱৰ হাততে সৰ্ব প্ৰথমে লাভ কৰে। মুঠতে, সুসংবদ্ধ, পূৰ্ণ বিকশিত সত্ৰৰ পৰিকল্পনাকাৰী হিচাপে আৰু তাক বাস্তৱত ৰূপায়িত কৰাৰ প্ৰথম পটি-কটীয়াৰ গৌৰৱ দামোদৰদেৱৰহে প্ৰাপ্য।[১২]

সত্ৰ-অনুষ্ঠানৰ জৰিয়তে ভাগৱত ধৰ্ম প্ৰচাৰ কৰা হৈছিল। 'কৃষ্ণস্তু ভগবান্ স্বয়ম্'ৰ শ্ৰেষ্ঠতা প্ৰতিপাদনেই ভাগৱত-পুৰাণ-ৰ প্ৰধানতম লক্ষ্য আৰু শংকৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ, হৰিদেৱ, গোপালদেৱ (আতা), বংশী গোপালদেৱ, কবিৰত্ন বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যাদিয়ে সত্ৰ-অনুষ্ঠানৰ সংযোগত কৃষ্ণৰ আবেগময়ী ভক্তিকেই শ্ৰৱণ-কীৰ্তনৰ মাধ্যমেৰে প্ৰচাৰ কৰিছিল। সেইবাবে এই ধৰ্মমতক ভাগৱতী ধৰ্ম নাইবা সত্ৰীয়া বৈষ্ণৱ ধৰ্ম বুলিব পাৰি। সত্ৰীয়া বৈষ্ণৱ ধৰ্ম অথবা ভাগৱতী ধৰ্মৰ প্ৰধান সাধন — নাম। সেইহে ভাগৱতী ধৰ্মক নাম ধৰ্মও বোলে। সত্ৰদ্বাৰা প্ৰচাৰিত হোৱা বাবে ইয়াক 'সত্ৰায়ন' বৈষ্ণৱ ধৰ্ম আখ্যা দিয়া হয়।

শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত অসমৰ বৈষ্ণৱ সম্প্ৰদায় ব্ৰহ্ম, কাল, নিকা আৰু পুৰুষ — এই চাৰিটা সম্প্ৰদায়ত বিভক্ত হৈ পৰে। *কথা গুৰু চৰিত*-তো ইয়াৰ আভাস পোৱা যায় ঃ

> *আমাৰ গুৰুজনৰ চাৰিভাগে প্ৰৱৰ্তিল — ব্ৰহ্মঘটি, পুৰুষ ঘটি, নিকা ঘটি, কাল ঘটি এই চাৰি। কালঘটিৰ নিৰ্গুণা ভক্তি হ'ব — গুৰুত নিষ্ঠা ; ব্ৰহ্মঘটিৰ ভাগৱত ধৰ্ম গাব ; পুৰুষ ঘটিত নামত নিষ্ঠা হ'ব। কেৱল নিকা ঘটিৰ গুণ, যশ, একান্ত ভকতত নিষ্ঠা সপ্ৰেমা হ'ব। শৰণো হব চাৰিবিধ ঃ শৰণো চাৰিভাগে চাৰি বিধ হ'ব, গাব, যাব। ব্ৰহ্মৰ বেদত নিষ্ঠা, কণিকা শৰণত, মনৰয়া শৰণ, কালঘটিৰ হ'ব গুৰুত কাষ্ঠা, পুৰুষ ঘটিৰ কেৱল শৰণ হ'ব, নাম-মালাত ৰত, নিকা ঘটিৰ অমল শৰণ হ'ব, গুণ, যশ, কথন, শ্ৰৱণ, হ'ব গাব।*[১৩]

অৱশ্যে বৈষ্ণৱ সম্প্ৰদায়ৰ মৌলিক মতবাদ বা সিদ্ধান্ত আৰু আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত এই চাৰি সংহতিৰ মাজত বৰ বিশেষ পাৰ্থক্য নাই ; কিন্তু নাম, দেৱ, গুৰু আৰু ভকতৰ প্ৰসংগত আৰোপ কৰা গুৰুত্বৰ মাত্ৰাৰ ওপৰত আৰু গৌণ ধৰণৰ আচাৰাদিৰ ক্ষেত্ৰতহে পাৰ্থক্য দেখা যায়।

দামোদৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ মতবাদৰ আধাৰত ব্ৰহ্ম সম্প্ৰদায় প্ৰতিষ্ঠিত। দামোদৰদেৱ অথবা তৎ শিষ্য প্ৰৱৰ্তিত সত্ৰসমূহ ব্ৰহ্ম সম্প্ৰদায়ৰ সত্ৰ। শঙ্কৰদেৱদ্বাৰা প্ৰৱৰ্তিত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ লগত ব্ৰহ্ম-সংহতিৰ মূলতঃ প্ৰভেদ নাই। ভাগৱতী ধৰ্মত যিদৰে শ্ৰীমদ্ভাগৱতেই ধৰ্মৰ মূলাধাৰ গ্ৰন্থ তদ্ৰূপ ব্ৰহ্ম সম্প্ৰদায়তো ভাগৱত-পুৰাণে-ই অনুৰূপ স্থান লাভ কৰিছে। অৱশ্যে ব্ৰহ্ম সংহতিত নিত্য-নৈমিত্তিকৰ প্ৰাধান্য পৰিলক্ষিত। এই সংহতিৰ গুৰুসকলে মনোময় পূজাৰ লগে লগে প্ৰতিমা পূজাকো সমৰ্থন নকৰাকৈ নাথাকে। পঞ্চদেৱতাৰ পূজা আৰু বেদোক্ত কৰ্মাদিৰ স্থান ব্ৰহ্ম সংহতিত লক্ষ্য কৰা যায়। কোনো কোনো পণ্ডিতৰ মতে ব্ৰহ্ম সম্প্ৰদায়ত নাম বা শৰণ নিদিয়ে, দীক্ষা বা ভাগৱতোক্ত মন্ত্ৰ গ্ৰহণ পদ্ধতিৰে কৃষ্ণ-মন্ত্ৰদান কৰে। ভক্ত, ভাগৱত গুৰু আৰু মূৰ্তি — এই চাৰি বস্তুত ব্ৰহ্ম সম্প্ৰদায়ত গুৰুত্ব আৰোপ কৰা দেখা যায়।

মহাপুৰুষ শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ পুৰুষ-সংহতিৰ প্ৰৱৰ্তক। এই সংহতিত মহাপুৰুষ শঙ্কৰদেৱকেই একমাত্ৰ গুৰুৰূপে স্বীকাৰ কৰা হয় আৰু চাৰিবস্তুৰ ভিতৰত 'নাম'ত অধিক গুৰুত্ব প্ৰদান কৰা হয়।

গোপাল আতা 'কাল-সংহতি'ৰ প্ৰৱৰ্তক। 'কাল সংহতি'ত গুৰুবাদত অত্যধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। 'নিকা-সংহতি'ৰ প্ৰৱৰ্তক মাধৱদেৱ নহয়, মথুৰা দাস আতা, পদ্ম আতা আৰু বদলা আতাহে। মাধৱদেৱদ্বাৰা প্ৰৱৰ্তিত ৰীতি-নীতি আৰু অনুশাসন আদি যথাযথভাৱে পালন কৰাই 'নিকা-সংহতি'ৰ প্ৰধানতম বৈশিষ্ট্য।

অসমৰ সত্ৰসমূহক ওপৰোল্লিখিত চাৰিটাভাগত বিভক্ত কৰিব পাৰি। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে, অসমত কেইবাখনো চৈতন্য পন্থী সত্ৰ আছে। চৈতন্যদেৱৰ পৰমানুৰক্ত নিত্যানন্দ বংশৰ লোকসকলে অসমত চৈতন্য সম্প্ৰদায়ৰ মতবাদ প্ৰচাৰ কৰে। কামৰূপ, নগাঁও আদিত কেইবাখনো চৈতন্য পন্থী সত্ৰ প্ৰতিষ্ঠিত হৈছিল। অসমৰ নৱবৈষ্ণৱবাদৰ আদৰ্শৰ অনুকূলে গৈ অসমৰ চৈতন্য পন্থীসকলে 'মঠ'ৰ সলনি নামঘৰ, মণিকূট আদি আৱশ্যিক উপাদান সম্বলিত সত্ৰহে স্থাপন কৰিছে। অৱশ্যে ধৰ্মমত, ক্ৰিয়া-কাণ্ড আৰু আচাৰ-অনুষ্ঠানৰ প্ৰসংগত অসমত প্ৰতিষ্ঠাপিত চৈতন্য পন্থী সত্ৰসমূহে গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ লগত সংগতি ৰক্ষা কৰি আহিছে।

অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰু আৰু তেওঁসকলৰ শিষ্য প্ৰশিষ্যসকলৰ অশেষ ত্যাগ আৰু সীমাহীন যত্নৰ ফলত শ শ সত্ৰ আৰু অসংখ্য নামঘৰে পুৱণি অসমৰ ইমূৰৰ পৰা সিমূৰ ছানি পেলালে। দামোদৰ দেৱে পাটবাউসীত সত্ৰ স্থাপন কৰাৰ পিছতে মাধৱদেৱে বৰপেটাত সত্ৰ স্থাপন কৰে।

তাহানি অসমৰ নৱবৈষ্ণৱ সম্প্ৰদায়ৰ গুৰু আৰু তেওঁসকলৰ শিষ্য প্ৰশিষ্যসকলৰ অশেষ চেষ্টা-প্ৰচেষ্টাৰ বিনিময়ত শ শ সত্ৰ সচং গঢ়ি উঠিল সমগ্ৰ অসমত। সত্ৰানুষ্ঠানসমূহত সাহিত্য-সংগীত, গীত-পদ, নৃত্ত-নৃত্য-নাট্য-বাদ্য, স্থাপত্য, ভাস্কৰ্য্য, চিত্ৰ-বিদ্যা, কলা-শিল্প আদিৰ চৰ্চা হৈছিল আৰু যাৰ মাধ্যমেৰে সত্ৰীয়ন বৈষ্ণৱ ধৰ্মই দ্বিগুণ গতিৰে প্ৰচাৰ লাভ কৰিছিল।